অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড

**(Assam Electricity Grid Corporation Limited)**

# পুনৰ সংস্থাপণ আঁচনিৰ সংক্ষিপ্ত তথ্য

## পৰিৱহন লাইন – ১৩২ kV D/C তিনিচুকীয়া –মাৰ্ঘেৰিটা লাইনৰ পৰা ১৩২ kV D/C LILO ৰুপাই





অসমৰ শক্তি খণ্ডত কাৰ্য্যক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি

# কাৰ্য্যকৰণৰ সাৰাংশ

অসমৰ শক্তি খণ্ডক পৰ্যাপ্ত পৰিমানে বিনিয়োগ কৰিবলৈ এ.ডি.বি.য়ে (Asian Development Bank) ভাৰত চৰকাৰৰ জৰিয়তে অসম চৰকাৰক এক বহুমুখী ঋণ ব্যৱস্থাৰ (Multi Tranche Financing Facility) সুবিধা প্ৰদান কৰিছে যাৰ দ্বাৰা উপ–আস্থান (Substation), পৰিবহন লাইনৰ (Transmission Line) নিৰ্মাণ কাৰ্য্য আৰু পূৰ্বতে থকা উপ–আস্থান সমূহৰ বিস্তাৰ (Augmentation/Expansion) কৰা হব। শক্তি খণ্ডৰ উন্নয়নৰ এই আঁচনিৰ জৰিয়তে কম কাৰ্বনৰ সহায়ত (i) পৰিৱহন আৰু বিতৰণ ব্যৱস্থাৰ (Transmission & Distribution Network) পৰিৱহন ক্ষমতা বৃদ্ধিৰ লগতে কাৰিকৰি ব্যয় হ্ৰাস কৰা, আৰু (ii) বিদ্যুৎ উৎপাদন কাৰি গোট সমূহৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লগতে চাহিদাৰ ক্ষেত্ৰ (Demand Side Management) খনৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হব। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (ASEB) হৈছে বহুমুখী ঋণ ব্যৱস্থাৰ (MFF) কাৰ্য্যকাৰী সংস্থা (Executing Agency)। এই খন ট্ৰেঞ্চ ১ (Tranche 1) ৰ বাৱে প্ৰস্তুত কৰিব লগিয়া পুনৰ সংস্থাপণ আঁচনিৰ (Resettlement Plan) **" পৰিৱহন লাইন – ১৩২ কে.ভি. ডি/চি তিনিচুকীয়া –মাৰ্ঘেৰিটা লাইনৰ পৰা ১৩২ kV D/C LILO" আনুমানিক দৈৰ্ঘ্য ৩০.৮২ কি.মি.** (132 kV Double Circuit LILO at Rupai from 132 kV Double Circuit Tinsukia – Margherita line – Approx. 30.82 kms") লাইনৰ এক সংক্ষিপ্ত তথ্য।

পৰিবহন লাইনৰ নিৰ্মাণ কাৰ্যৰ সময়ত কোনো ধৰণৰ অস্থায়ী ক্ষতিৰ বাহিৰে স্থায়ী ভূমি অধিগ্ৰহণৰ (Land Acquisition) প্ৰয়োজন নহয়। পুনৰ সংস্থাপণ আঁচনিৰ (RP) বাৱে যাৱতীয় পুনৰ সংস্থাপণ পৰিকল্পনা, প্ৰয়োজনীয় উদ্দেশ্য, নীতি, পদ্ধতি আদি উপ-আঁচনি খনত (Sub Project) অন্তৰ্ভুক্ত কৰা হৈছে যাৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকৰ কোনো অসুবিধাৰ সন্মুখীন নহয়। আৰ্থ-সামাজিক জৰিপৰ (Socio-Economic Survey) জৰিয়তে প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল (PAF) সমূহ চিনাক্তকৰণ কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱা হয়। প্ৰকল্প এলেকাত প্ৰায় ১০০ টা টাৱাৰ (Tower) নিৰ্মাণ হব আৰু ১৬ টা পৰিয়ালত ইয়াৰ প্ৰভাৱ পৰিব। উক্ত টাৱাৰৰ বাৱে মুঠ ১ হেক্টৰ মাটিৰ প্ৰয়োজন হব মুঠ ১ হেক্টৰ মাটিৰ ০.১৩ হেক্টৰ ব্যক্তিগত, ০.০৫ হেক্টৰ চৰকাৰী আৰু ০.৮২ হেক্টৰ চাহ-বাগিছাৰ (Tea Garden Land) মাটি হিচাপে চিহ্নিত কৰা হৈছে।

ক্ষতিপূৰণ সমূহ আৰু ক্ষতিপূৰণৰ পৰিমাণ ক্ষেত্ৰ বিশেষে কেনে ধৰণৰ হব সেই বিষয়ে পুনৰ সংস্থাপণ আঁচনিত দিয়া হল। ক্ষয়-ক্ষতিৰ প্ৰকাৰ, ভূমিৰ ব্যৱস্থা, স্বত্বাধিকাৰীৰ সূত্ৰ আৰু ক্ষয়-ক্ষতিৰ পৰিসৰৰ ওপৰত ভিত্তি কৰি ক্ষতি গ্ৰস্ত লোকক (PAP) নিৰুপণ কৰা হৰ। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কাৰ্য্যকাৰী সংস্থা হিচাপে ক্ষতি গ্ৰস্ত লোকৰ ক্ষতিপূৰণ আদায় কৰিব। ওপৰোক্ত উপ-প্ৰকল্পৰ বাবে ১, ০২, ২২, ৮৬০ টকা (এক কোটি, দুই লাখ, বাইশ হেজাৰ, আঠশ ষাঠী টকা) নিৰ্ধাৰণ কৰা হৈছে।

তলৰ উল্লেখিত টেবুল খনত বিভিন্ন প্ৰকাৰৰ ভূমিৰ ক্ষয়-খতিৰ পৰিমাণ আৰু ব্যক্তিগত সম্পত্তিৰ পৰিমাণ সমূহ দাঙি ধৰা হল ।

| | |
|---|---|
| পৰিবহন লাইনৰ নাম | পৰিৱহন লাইন – ১৩২ kV. D/C তিনিচুকীয়া –মাৰ্ঘেৰিটা লাইনৰ পৰা ১৩২ kV D/C LILO, ৰূপাই, আনুমানিক দৈৰ্ঘ্য ৩০.৮২ কি.মি. |
| মুঠ টাৱাৰৰ সংখ্যা | ১০০ |
| মুঠ ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ (PAF) সংখ্যা | ১৬ |
| মুঠ ক্ষতিগ্ৰস্ত হোৱা মানুহৰ সংখ্যা | ৪৩ (৩ ঘৰ পৰিয়ালক ধৰা হোৱা নাই)** |
| টাৱাৰৰ বাবে প্ৰয়োজনীয় মুঠ মাটিৰ পৰিমান (হেক্টৰ) | ১ হেক্টৰ |
| ব্যক্তিগত মাটিৰ মুঠ পৰিমাণ (হেক্টৰ) | ০.১৩ হেক্টৰ |
| চৰকাৰী মাটিৰ মুঠ পৰিমাণ (হেক্টৰ) | ০.০৫ হেক্টৰ |
| চাহ-বাগিছাৰ মাটিৰ মুঠ পৰিমাণ (হেক্টৰ) | ০.৮২ হেক্টৰ |
| কৃষিগত মাটিৰ মুঠ পৰিমাণ (হেক্টৰ) | ০.১১ হেক্টৰ |
| অ–ব্যৱহৃত মাটিৰ মুঠ পৰিমাণ (হেক্টৰ) | ০.০২ হেক্টৰ |

***আৰ্থ -সামাজিক জৰিপৰ সময়ত ১৬ ঘৰ ক্ষতিগ্ৰস্ত পৰিয়ালৰ ৩ ঘৰ পৰিয়ালক লগ পোৱা নগৈছিল ।*

## ১ আচঁনিৰ বিষয়বস্তু

১. এক বহুমূখী ঋণ প্ৰদান ব্যৱস্থ (MFF) ৰ অৰ্ন্তগত প্ৰস্তৱিত আঁচনিখন কাৰ্য্যকৰী কৰা হ্ব। শক্তি উন্নয়নৰ এই আঁচনি খনৰ জৰীয়তে নিম্নেক্তধৰনে কম কাৰ্বনৰ সহায়ত শক্তি খণ্ডৰ উন্নতি ঘটোৱাৰ প্ৰয়াস চলোৱা হ্ব।

ক. পৰিবহ্ন আৰু বিতৰণ ব্যৱস্থ (Transmission & Distribution Network) ৰ পৰিবহ্ন ক্ষমতা বৃদ্ধিৰ লগতে পৰিবহ্ন ব্যয় ৰোধ কৰা হ্ব।

খ. বিদ্যুৎ উৎপাদনকাৰী গোটসমূহৰ উৎপাদন ক্ষমত্ৰ বৃদ্ধিৰ লগতে চাহিদাৰ ক্ষেত্ৰ খনৰ বাবেও বিশেষ ব্যৱস্থ গ্ৰহ্ণ কৰা হ্ব। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদেই হ্ল আঁচনিখনৰ মূল কাৰ্য্যকৰী সংস্থ।

২. ৰাজ্যৰ শক্তিখণ্ডক পৰ্য্যাপ্ত বিনিয়োগ কৰিবলৈ অসম চৰকাৰে ভৰত চৰকাৰৰ জৰীয়তে এ.ডি.বি. (Asian Development Bank) ক এটা বহুমূখী ঋণ প্ৰদান ব্যৱস্থ (Multi Tranche Financing Facility) ৰ বাবে অনুৰোধ জনায়। এই বিনিয়োগ আঁচনিখনে পৰিবহ্ন, বিতৰণ আৰু শক্তিৰ গুণাগুণক প্ৰত্যক্ষ ভৱে আৰু Management Information System (MIS) ক পৰোক্ষভৱে সামৰি লব। উন্নত মানদণ্ডৰ বিদ্যুৎ উৎপাদন, পৰিবহ্ন ব্যৱস্থা আৰু বিতৰণৰ ভৱিষ্যতে লব লগা আঁচনি সমূহক পৰ্যায় ক্ৰমে সামৰি লব। এ.ডি.বি যে বৰ্তমান বিনিয়োগ কৰিব লগা আঁচনি সমূহ এনেধৰণৰ ঃ

ক) উন্নত মানৰ আৰু নিৰ্ভ্ৰয়োগ্য মানদণ্ডৰ বিদ্যুৎ যোগান ধৰা

খ) পৰিবহ্ন ব্যৱস্থৰ সৰলীকৰণ কৰা।

গ) বিদ্যুৎ উৎপাদনৰ পৰা বিতৰণলৈকে সম্পূৰ্ণ প্ৰক্ৰিয়াটোত হৈ থকা বিদ্যুৎৰ অপব্যয় ৰোধ কৰা।

ঘ) পূৰ্বতে এ.ডি.বি ৰ সৈতে প্ৰস্তুত কৰা উন্নতিকৰণ প্ৰক্ৰিয়া (Reform Agenda) খনেই এই আঁচনিৰ মূল ভিত্তি হ্ব আৰু আশা কৰা হৈছে যে কোনো বিনিয়োগকাৰী দীৰ্ঘম্যাদী আঁচনি হ্বতত লৈ আগবাঢ়ি আহিব।

## ১.১ পুনৰ সংস্থাপণ আঁচনিৰ গঠন

সম্পূৰ্ণ বহুমূখী ঋণ প্ৰদান ব্যৱস্থাৰ বাবে এটা পুনৰ সংস্থাপণ আঁচনি প্ৰস্তুত কৰা হৈছে। এই পুনৰ সংস্থাপন আঁচনি ভৱিষ্যতৰ কোনো উপ-আঁচনিৰ বাবে প্ৰয়োজনীয়। পুনৰ সংস্থাপণ (RP) আঁচনিৰ বাবে যাবতীয় পুনৰ সংস্থাপণ পৰিকাঠাম/পৰিকল্পনা (RF) পদ্ধতিগত ভাৱে তৈয়াৰ কৰা হৈছে যাক হয়তো ভৱিষ্যতে অনুদান সম্পৰ্কীয় উপ-আঁচনিৰ বাবে আৱশ্যক হব। ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ আদিৰ বাবে প্ৰয়োজনীয় উদ্দেশ্য, নীতি, পদ্ধতি আদি ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে যাৰ দ্বাৰা ক্ষতিগ্ৰস্থ লোক কোনো অসুবিধাৰ সন্মুখীন নহয় ।

## ২. আঁচনিখনৰ আইনগত দিশ

ভূমি সংক্ৰান্তীয় সকলো কামৰ ভিত্তি হব ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ (সংশোধন ১৯৮৪) (The Land Acquisition Act, 1894 (LAA, amended in 1984) আৰু ৰাষ্ট্ৰীয় পুনৰ আৰু পুনৰ উত্থান আঁচনিৰ ২০০৭ (The National Rehabilitation and Resettlement Policy, 2007) আৰু এ.ডি.বি ৰ অনিচ্ছাকৃত পুনৰসংস্থাপণ আঁচনি ১৯৯৫ (ADB's Policy on Involuntary Resettlement, 1995) চৰকাৰ আৰু এ.ডিবি ৰ পুনৰ সংস্থাপণ আচঁনিখনৰ মূল বিষয় সমূহ সংক্ষিপ্তভাৱে তলত উল্লেখ কৰা হল ঃ

### ২.১ চৰকাৰৰ আঁচনি

২.১.১ ৰাষ্ট্ৰীয় পুনৰ আৰু পুনৰ উত্থান আঁচনিৰ ২০০৭ (NRRP 2007) (Ministry of Rural Development, Department of Land Resources) ঃ উন্নয়ন সম্পৰ্কীয় পুনৰ সংস্থাপণ ব্যৱস্থাক আগত ৰাখি ভাৰত চৰকাৰে ৩১ অক্টোবৰ ২০০৭ এই ৰাষ্ট্ৰীয় পুনৰসংস্থাপণ আৰু পুনৰউত্থান আচঁনি, ২০০৭ প্ৰৱৰ্তন কৰে। সমাজৰ উমৈহতীয়া স্বাৰ্থত যেতিয়া কোনো ব্যক্তিক স্থনান্তৰ কৰা তেতিয়া তেনে ব্যক্তিৰ যাতে প্ৰয়োজনীয় মৌলিক অধিকাৰ খৰ্ব কৰা নহয় সেই উদ্দেশ্যেৰে এই আচঁনিখন গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বা আন কোনো সংস্থাই ইচ্ছা কৰিলে ৰাষ্ট্ৰীয় পুনৰ আৰু পুনৰ উত্থান আঁচনিৰ ২০০৭ য়ে নিৰ্ধাৰণ কৰা নিৰিখতকৈ অধিক নিৰিখত পুনৰসংস্থাপণ কৰিব পাৰে। যদি কোনো লোকক অনিবাৰ্য্য কাৰন বসত স্থয়ীভাৱে স্থনান্তৰিত কৰিব লগা হয় তেন্তে এই আচঁনি অনুসৰি ওপৰত উল্লেখ কৰা ধৰণে সাহাৰ্য্য পাব। আচঁনিখনৰ মূল বিষয় সমূহ তলত উল্লেখ কৰা হল ঃ

১. যিমান সম্ভৱ স্থনান্তৰণ কমকৈ কৰা অথবা স্থনান্তৰণৰ বিপৰীতে অন্য কোনো বিকল্প ব্যৱস্থা গ্ৰহণ কৰা।

২. ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক উপযুক্ত ক্ষতিপূৰণ আৰু তৎক্ষণিক পুনৰ সংস্থাপণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৩. স্পৰ্শকাতৰ, সামাজিক ভাৱে পিচপৰা, যেনে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আৰু লোকসকলৰ পুনৰসংস্থাপণ প্ৰক্ৰিয়াত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা।

৪. উন্নত মানৰ জীৱন ধাৰণৰ বাবে ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক উপযুক্ত আয়ৰ ব্যৱস্থা গ্ৰহণ কৰা।

৫. সংস্থাপিত লোকসকলক সমাজৰ উন্নতিৰ বিধান সমূহ অবগত কৰাই সেই উন্নয়নৰ কাৰ্য্যসূচী সমূহ কাৰ্য্যকৰী কৰোৱা।

৬. ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত দুয়োপক্ষৰ পাৰস্পৰিক বুজাবুজি সুনিশ্চিত কৰা।

এই ৰাষ্ট্রীয় পুনৰ সংস্থাপণ আৰু পুনৰ উত্থান আচঁনি ২০০৭ (NRRP, 2007) খন ভৈয়ামত ৪০০ পৰিয়ালৰ অধিক, পাহাৰীয়া, জনজাতি বসতি প্ৰধান বা মৰুভূমি অঞ্চলত ২০০ পৰিয়ালৰ অধিক স্থানান্তৰিত কৰিব লগা হলে প্ৰযোজ্য হ ব। অৱশ্যে মৌলিক নিয়মৰ কাৰ্য্যকৰী কৰনত সংখ্যা মানি চলা নহয়। আচঁনি ৰূপায়নত আৰ্থিকভাবে ক্ষতিগ্ৰস্থ পৰিয়াল সমূহৰ ওপৰত যাতে বিষম প্ৰভাৱ নপৰে আচঁনিখনত এই বিষয়টোত চকু ৰখা হৈছে। তথাপিও স্থাৱৰ সম্পত্তি অধিগ্ৰহণৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ মানি চলা হয়।

### ২.১.২ ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ (সংশোধন ১৯৮৪)

এই আইনখনত ভূমি অধিগ্ৰহণৰ নিয়মাৱলী সমূহ উল্লেখ কৰা হৈছে। ই দেশৰ ৰাজ্য চৰকাৰ সমূহক ৰাজহুৱা স্বাৰ্থত ব্যক্তিগত ভূমি অধিগ্ৰহণৰ অধিকাৰ প্ৰদান কৰিছে। অৱশ্যে ক্ষতিগ্ৰস্থ লোক অধিগ্ৰহণৰ আগতে আদালতৰ কাষ চাপিব পাৰিব। ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ মুখ্য বিষয় সমূহঃ

১. অধিগ্ৰহণৰ বাবে চিনাক্ত কৰা স্থন ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ ৪ৰ্থ ধাৰাত অন্তৰ্ভুক্ত হয়। পোনপ্ৰথমে এখন জাননী দিব লাগিব। কোনো আপত্তি থাকিলে জাননী দিয়াৰ ৫০ দিনৰ ভিতৰত উপায়ুক্তৰ ওচৰত আপত্তি দৰ্শাব লাগিব।

২. জাননী দিয়াৰ পিছত চিনাক্ত কৰা ভূমি ধাৰা নং ৬১ ত অন্তৰ্ভুক্ত হব। ইয়াৰ জৰীয়তে উপায়ুক্তক সেই ভূমি অধিগ্ৰহণৰ দায়িত্ব দিয়া হয় আৰু তেতিয়া মাটি টুকুৰা ৯ নং ধাৰাত অন্তৰ্ভুক্ত হয়। মাটিৰ মালিক পক্ষক মাটি আৰু ইয়াৰ দাম সম্পৰ্কে তেওঁলোকৰ মত ব্যক্ত কৰিবলৈ আদালতলৈ আমন্ত্ৰা কৰা হয়। ১১ নং ধাৰা অনুসৰি জিলা উপায়ুক্তই এবছৰৰ ভিতৰত উপযুক্ত ক্ষতিপুৰণ ঘোষণা কৰিব অন্যথা অধিগ্ৰহণ পদ্ধতি বন্ধ হ ব।

৩. ক্ষতিপূৰণ মূল্যৰ ক্ষেত্ৰত কাৰোবাৰ আপত্তি থাকিলে ক্ষতিপূৰণ ঘোষণাৰ ছয় সপ্তাহৰ ভিতৰ (ধাৰা ১৮) জিলা উপায়ুক্তক আবেদন কৰিব পাৰিব যাতে ক্ষতিপূৰণৰ ক্ষেত্ৰত আদালতে শেষ ৰায়দান কৰিব পাৰে।

৪. ৪ নং ধাৰাত অন্তৰ্ভুক্ত ভূমি কিনা বেচা বা হস্তান্তৰিত কৰিব নোৱাৰিব।

৫. ঘৰ, মাটি আদিৰ ক্ষতিপূৰণৰ নগদ পৰিমাণৰ ধন প্ৰকল্প কৰ্তৃত্বই (Project Authority) য়ে ৰাজ্য চৰকাৰক জমা দিব আৰু ৰাজ্য চৰকাৰে সেই ধন আক্ৰান্ত সকলক দিব।

৬. কৃষি ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত কৃষিৰ বিক্ৰীমূল্য বিগত তিনি বছৰৰ গড় হিচাপত নিৰূপন কৰা হয় আৰু এই মূল্য জিলা পঞ্জীয়কৰ কাৰ্য্যালয়ত নিৰ্দ্ধাৰন কৰা থাকে। এই ক্ষতিপূৰণ ভূমি অধিগ্ৰহণ পিচতহে প্ৰদান কৰা হয়। ইয়াৰ বাবে দুইৰ পৰা তিনিবছৰ সময়ৰ আৱশ্যক হয়। তৰোপৰি নিৰ্দ্ধাৰিত মূল্যৰ ৩০% যোগ দি বছৰত ১২ % মূল্য বৃদ্ধিৰ বিপৰীতে প্ৰদান কৰা হয়। এই হিচাপ ক্ষতিপূৰণ ঘোষণাৰ দিনৰ পৰা কাৰ্য্যকৰী হ ব (৯নং ধাৰা সন্নিবিষ্ট হোৱাৰ পিছত) আৰু বছৰি ৯% হাৰত প্ৰথম বছৰত আৰু বছৰি ১৫% হাৰত পিচৰ সময়খিনিৰ বাবে উপৰিঞ্চি ধন আদায় দিব লাগিব।

### ২.১.২ ভূমি অধিগ্ৰহণৰ (সংশোধন) আইন ২০০৭

ভূমি অধিগ্ৰহণ কেৱল ৰাজহুৱা স্বাৰ্থত চৰকাৰৰ অনুমোদন সাপেক্ষে কৰা হয়। আইনখনে ভূমি অধিগ্ৰহণৰ বাবে ঃ

১. নৌসেনা, বায়ুসেনা আৰু স্থলসেনাৰ লগত জড়িত বিষয়বোৰৰ ক্ষেত্ৰত।

২. ৰাজহুৱা স্বাৰ্থ জড়িত কাৰ্য্য বা অন্য কোনো কাৰ্য্যৰ বাবে যত ৭০% মাটিৰ গৰাকী বিক্ৰিৰ বাবে আগ্ৰহী। বৰ্তমানে ব্যক্তিগত ভূমি ও ৰাজহুৱা খণ্ডৰ কামৰ বাবে অধিগ্ৰহণ কৰা হয়।

৩. ভূমি অধিগ্ৰহণৰ ফলত যদি সমতল অঞ্চলৰ ৪00 পৰিয়াল, পাহাৰীয়া বা জনজাতি অধ্যুষিত অঞ্চলৰ ২00 পৰিয়াল ক্ষতিগ্ৰস্ত হয় তেন্তে চৰকাৰে সামাজিক প্ৰকাৰৰ ওপৰত পৰ্য্যালোচনা চলাব লাগিব, যি স্থানান্তৰণৰ বাবে হব পৰা পৰিণাম, জনজাতি কল্যান আঁচনি আৰু আন্তঃগাঁঠনি উন্নতকৰণক সামৰি লব।

৪ .অধিগ্ৰহণৰ ২০০৭ আইনখনে ক্ষতি, অধিগ্ৰহণ মূল্য, অধিগৃহীত ভূমি আৰু পুনৰ সংস্থাপণ মূল্যৰ, আন্তঃগাঁঠনি আদিক সামৰি লব। এই খৰচ সমূহ অধিগ্ৰহণকৰীয়ে বহন কৰিব লাগিব।

৫ .আয়ুক্তজনে ভূমি অধিগ্ৰহণৰ বিতং প্ৰণালী আৰু অধিগ্ৰহণ মূল্য ৰাজহুৱা ভাৱে জনাব লাগিব।

৬ .মূল আইনখনত আয়ুক্তজনে ভূমিৰ বৰ্তমানৰ মূল্যৰ ওপৰত ভিত্তি কৰি ক্ষতিপূৰণ নিৰ্দ্ধাৰণ কৰিব। আইনখনে আয়ুক্তজনক সৰ্ব্বাধিক মূল্যতঃ

ক. অঞ্চলটোৰ ভূমিৰ নিম্নতম মূল্য নিৰ্দ্ধাৰণ কৰিব (Indian Stamp Act, 1899)

খ .অঞ্চলটোৰ ভূমিৰ গড় বিক্ৰী মূল্যৰ ৫০% অধিক মূল্য।

গ .অঞ্চলটোত প্ৰকল্পটোৰ বাবে ক্ৰয় কৰা ভূমিৰ মূল্যৰ ৫০% অধিক মূল্য আৰু প্ৰকল্পটোৰ বাবে ক্ষতি হোৱা উদ্ভিদ, শষ্য আদিৰ ক্ষতিপূৰণ সামৰি লব লাগিব। ভূমি কিনা বেছা নিষিদ্ধ অঞ্চলৰ ক্ষেত্ৰত চৰকাৰে ইয়াৰ মূল্য নিৰ্দ্ধাৰন কৰিব।

৭ .মূল আইনখনত ইচ্ছুক ব্যক্তি মানে যিসকলে ক্ষতিপূৰণ দাবী কৰে তেওঁলোকক সামৰি লোৱা হৈছে।

৮ .অধিগৃহীত মাটিৰ মূল্য অধিগ্ৰহণৰ এবছৰৰ ভিতৰত প্ৰদান কৰিব লাগিব। আয়ুক্তজনে মাহে ৫% হাৰত জৰিমনাসহ এই সময় ছমাহলৈ বৃদ্ধি কৰিব পাৰিব। মূল্য নিৰ্দ্ধাৰনৰ ৬০ দিনৰ ভিতৰত মূল্য প্ৰদান কৰিব লাগিব। অধিগ্ৰহণৰ মূল্য প্ৰদান নকৰাকৈ মাটি অধিগ্ৰহণৰ কৰিব নোৱাৰিব।

৯ .বৰ্ত্তমান ভূমি অধিগ্ৰহণ সম্পৰ্কীয় গোচৰ সমূহ নিষ্পত্তিৰ বাবে নিম্ন আদালতলৈ প্ৰেৰণ কৰা হয়।

## ২.২ এ. ডি বি. ৰ অনিচ্ছাকৃত পুনৰসংস্থাপন আঁচনি ১৯৯৫

এ.ডি বি. য়ে ঋণ প্ৰদানৰ ক্ষেত্ৰত পুনৰসংস্থাপন সম্পৰ্কীয় তিনিটা প্ৰধান নিয়ম মানি চলে ঃ

ক. ক্ষতিহোৱা সামগ্ৰী পুনৰ উদ্ধাৰ, উপাৰ্জন আৰু জীৱন ধাৰণৰ মান।

খ. পুনৰ সংস্থাপণৰ ক্ষেত্ৰ নিৰ্বাচনত সহায় কৰা আৰু

গ. পুনৰ সংস্থাপণৰ পিছত পূৰ্বৰ অৱস্থাত উপনীত হোৱাত সহায় কৰা।

পুনৰ সংস্থাপনৰ আৱশ্যক হোৱা এ.ডি বি. ৰ যিকোনো প্ৰকল্প তৈয়াৰ কৰোতে পুনৰ সংস্থাপণক অধিক গুৰুত্ব দিয়া হয়। এনে ধৰণৰ প্ৰকল্প সমূহত নিম্নোক্ত ধৰণে গুৰুত্ব দিয়া হয় ঃ

১. পুনৰসংস্থাপণৰ পৰা বিৰত থকা।

২. যত পুনৰসংস্থাপণৰ আৱশ্যক, তেনেক্ষেত্ৰত পুনৰসংস্থাপণ পৰাপক্ষত এৰাই চলা বা যিমান পাৰি কমকৈ কৰা।

৩. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত উদ্ভৱ হোৱা যি কোনো ক্ষতিৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা। ক্ষতিপূৰণ স্থানান্তৰন মূল্যৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা।

৪. যি সমূহ গৃহৰ মূল ব্যক্তি মহিলা, বৃদ্ধ বা শৰীৰিক ভাৱে বাধাগ্ৰস্থ তেনে লোকৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা।

৫. পুনৰসংস্থাপণৰ বাবে হোৱা সকলো খৰচ মূল প্ৰকল্পত প্ৰতিফলন কৰা। পুনৰসংস্থাপিত সকলক পূৰ্বৰ অৱস্থা প্ৰাপ্তিত সম্ভৱপৰ সকলো প্ৰকাৰৰ সহায় প্ৰদান কৰা।

৬. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত হোৱা ক্ষতিগ্ৰস্থ সকলক সম্পূৰ্ন ভাৱে অৱগত কৰা আৰু তেওঁ লোকৰ লগত যোগাযোগ ৰক্ষা কৰা।

৭. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত হোৱা ক্ষতিগ্ৰস্থ সকলক সামাজিক আৰু অৰ্থনৈতিক ভাৱে সহায় কৰা যাতে সামাজিক ভাৰসাম্য/মিলাপ্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ ওপৰত কোনোধৰণৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নহয়।

৮. পিয়লৰ দ্বাৰা ক্ষতিগ্ৰস্থ সকলক অতি সোনকলে চিনাক্ত কৰি সংস্থপিত কৰি অনাধিকাৰ/অবৈধ প্ৰৱেশ ৰোধ কৰা।

৯. স্পৰ্শকাতৰ বিষয় যিসকলৰ মালিকীচৰ্ত কোনো বৈধ নথিপত্ৰ নাই, পৰিয়ালৰ মূৰব্বী যদি মহিলা, বৃদ্ধ বা শাৰীৰিক ভাবে অক্ষম বা খিলঞ্জীয়া হয় তেনে ক্ষেত্ৰত তেওঁলোকক সামাজিক আৰু অৰ্থনৈতিক ভাবে সংস্থপিত হোৱাত সহায় কৰিব লাগিব।

১০. পুনৰ সংস্থপণৰ সম্পূৰ্ন ব্যয় প্ৰকল্পৰ মুঠ ব্যয়ত প্ৰতিফলন ঘটাব লাগিব।

## ২.৩ এ.ডি বি. ৰ পুনৰসংস্থপন আঁচনি আৰু ৰাষ্ট্ৰীয় পুনৰ সংস্থপন আঁচনিৰ তুলনা

ভাৰতত সু–সংগঠত / প্ৰণালীবদ্ধ পুনৰ সংস্থপণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পুনৰ আৰু পুনৰ উত্থান আঁচনিৰ ২০০৭ য়ে উল্লেখযোগ্য ভূমিকা পালন কৰে। ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ (সংশোধন ১৯৮৪) য়ে ৰাজহুৱা কাৰ্য্যৰ বাবে কৰা ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত কিছুমান নীতি নিৰ্দেশনা প্ৰদান কৰিছে।

## ৩. পুনৰসংস্থপণ আঁচনি চৰ্ত নিৰ্ধাৰণ আৰু গঠন প্ৰণালী (Resettlement Framework Principles and Entitlements)

যিকোনো আঁচনি বা উপ–আঁচনি কাৰ্য্যকৰী কৰোতে ভাৰতীয় ভূমি অধিগ্ৰহণ আইন, পুনৰ সংস্থপণ আঁচনি আৰু এ.ডি বি. ৰ নিশ্চিত পুনৰ সংস্থপণ আঁচনি **১৯৯৫** আধাৰত তলৰ নিৰ্দেশনা সমূহ মানি চলা হয়।

৩.১ আঁচনিৰ ৰূপায়নৰ পৰিকল্পনা কৰাৰ সময়ত বীমা আদি গ্ৰহণ কৰাৰ লগতে অনান্য দিশ সমূহ চালি জাৰি চাব লাগিব।

৩.২ যত কোনো বিকল্প নাথাকে তেনে ক্ষেত্ৰত সময় নিৰ্ধাৰিত পুনৰ সংস্থপণ আঁচনি হাতত লৈ সেই মতে ক্ষতিগ্ৰস্থক ক্ষতিপূৰণ দিব লাগিব, যাতে তেওঁলোকৰ পূৰ্বৰ জীৱন ধাৰণৰ মান অটুট থাকে।

৩.৩ ক্ষতিপূৰণ সম্পৰ্কে ক্ষতিগ্ৰস্থ সকলৰ লগত আলোচনা কৰি, প্ৰস্তাবিত আচঁনিখনত তেওঁলোকৰ সহযোগিতা নিশ্চিত কৰি তেওঁলোকক আৰ্থিকভাৱে সহায়ৰ ব্যৱস্থা কৰা।

৩.৪ স্পৰ্শকাতৰ বিষয় সমূহত বিশেষ গুৰুত্ব দিয়া।

৩.৫ অনাধিকাৰ ভাবে বসবাস কৰা লোকৰ সম্পত্তিৰ স্থানান্তৰণৰ খৰচ বহন কৰা।

৩.৬ কোনো কোনো ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ আগতে অথবা কাম আৰ কৰাৰ আগতে ক্ষতিপূৰণ প্ৰদান কৰা।

৩.৭ উপাৰ্জন ও পুনৰ সংস্থপণৰ ব্যৱস্থা কৰা।

৩.৮ অভিযোগ গ্ৰহণ আৰু সেই সমূহ নিৰাময়ৰ ব্যৱস্থা কৰা।

এনেকুৱা আঁচনি ৰূপায়নৰ সময়ত তিনিধৰনৰ বাধা আহিব পাৰে, যি সমূহ অতি সোনকালে সমাধান কৰাটো আৱশ্যক,

ক. সম্পত্তিৰ ক্ষতি (মাটি, ঘৰ ইত্যাদি)

খ. উপাৰ্জনৰ ক্ষতি

গ. কোনো স্থনৰ ৰাজহুৱা সম্পত্তি বা জীৱিকাৰ উমৈহতিয়া ক্ষতি । প্ৰত্যেক ক্ষেত্ৰতে অধিগ্ৰহণ যথাসম্ভৱ কমকৈ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিদ্যুৎ পৰিবাহী লাইন নিৰ্মাণৰ সময়ত পুনৰ সংস্থপণৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ক্ষতিৰ বিপৰীতে ঠইতে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। মেৰামতিৰ সময়ত হোৱা অস্থায়ী ক্ষতিৰ বিপৰীতে ঠইতে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

**৪. স্বত্বাধিকাৰ সম্পৰ্কীয় আচঁনিৰ নক্সা।**

ক্ষতিপূৰণৰ পৰিমান আৰু এই ক্ষতিপূৰণ সমূহ ক্ষেত্ৰ বিশেষে কেনেধৰনৰ হ্ব সেইবিষয়ে তলৰ তালিকা অনুসৰি পদক্ষেপ লোৱা হ্ব।

| ক্ৰমিক নং | ক্ষয় ক্ষতিৰ প্ৰকাৰ | ভূমিৰ ব্যৱহাৰ | স্বত্বাধিকাৰীৰ সূত্ৰ | স্বৰ্ত সমূহ |
|---|---|---|---|---|
| ১ | ব্যক্তিগত ভূমিৰ ক্ষতি | কৃষি ভূমি, গৃহ নিৰ্ম্মানৰ ভূমি, অব্যৱহৃত ভূমি | মাটিৰ স্বত্ব কোনো গ্ৰহণযোগ্য চৰকাৰী বা বেচৰকাৰী অনুস্থানে আগবঢ়োৱা ব্যক্তি | ১. সুবিধা সাপেক্ষে মাটিৰ মূল্য প্ৰদান।<br>২. পৰিয়ালে প্ৰতি ১০,০০০ (দহ হাজাৰ) টকাকৈ পুনৰ সংস্থাপণৰ বাবে আৰ্থিক অনুদান।<br>৩. গৃহ পৰিৱৰ্তনৰ বাৱে সাহাৰ্য্য প্ৰদান (প্ৰতি গৃহত ১০,০০০ টকা)।<br>৪. মাটিৰ উৎপাদনৰ (কৃষি ভূমিৰ) ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৫. বিশেষভাৱে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান।<br>৬. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান। |
| | | | মাটিৰ ভাৰতীয়া বা লীজ প্ৰাপ্ত ব্যক্তি | ১. ভৰা বা ম্যাদ উকলি নোযোৱা লীজৰ পৰিমানৰ বিপৰীতে নগদ ক্ষতিপূৰণ ।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভাৱে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান।<br>৪. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান। |
| | | | আধিলোৱা খেতি | ১. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান।<br>২. বিশেষভাৱে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| ২ | চৰকাৰী ভূমিৰ পৰা | অব্যৱহৃত ভূমি, | লীজ প্ৰাপ্ত ব্যক্তি | ১. লীজৰ ম্যাদ উকলি নোযোৱা অৱস্থত লীজৰ বিপৰীতে জমা ধনৰ ওপৰত |

| | | | | |
|---|---|---|---|---|
| | উচ্ছেদৰ ফলত হ্ৰাস ক্ষতি | কৃষি ভূমি বসবাস আৰু কৰা ভূমি | | ক্ষতিপূৰণ।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. পৰিয়ালে প্ৰতি ১০,০০০ (দহ হাজাৰ) টকাকৈ পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান।<br>৪. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান।<br>৫. বিশেষভবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | ভূমিৰ বেদখলকাৰী | ১. বেদখলকাৰীক আতঁৰি যাবৰ বাবে আগতীয়া জাননী প্ৰদান।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | বে-আইনী দখলকাৰী | ১. বেদখলকাৰীক আতঁৰি যাবৰ বাবে আগতীয়া জাননী প্ৰদান।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| ৩ | আৱাসিক ভূমিৰ ক্ষতি | চাৰিসীমা ঘেৰি লোৱা বা গৃহনিৰ্মান কৰা বা কুৱাঁ আদি নিৰ্মানৰ বাবে ব্যৱহৃত ভূমি | বিধিসন্মত স্বত্বাধিকাৰী | ১. স্থানান্তৰিত ভূমি আৰু সম্পত্তিৰ মূল্য।<br>২. সম্পত্তিৰ লগত জড়িত যিকোনো কৰ বা মাচুলৰ সম্পূৰ্ণ মূল্য।<br>৩. স্থানান্তৰ কৰণত সহায় হিচাপে কমেও ১০,০০০ টকাৰ আৰ্থিক অনুদান।<br>৪. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৫. বিশেষভবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | ভৰতীয়া বা কোনো স্থনৰ লীজ প্ৰাপ্ত ব্যক্তি | ১. ভুক্তভোগীয়ে সাজি লোৱা ঘৰ বা আন কোনো নিৰ্মানৰ বিপৰীতে সম্পূৰ্ন ক্ষতিপূৰণ।<br>২. লীজৰ ম্যাদ উকলি নোযোৱা অৱস্থত লীজৰ বিপৰীতে জমাধনৰ ওপৰত |

| | | | | |
|---|---|---|---|---|
| | | | | ক্ষতিপূৰণ।<br>৩. স্থনান্তৰ কৰনত সহায় হিচাপে কমেও ১০,০০০ টকাৰ আৰ্থিক অনুদান।<br>৪. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | বেদখলকাৰী | ১. ঘৰ, সম্পত্তিৰ সম্পূৰ্ন মূল্য।<br>২. স্থনান্তৰ কৰণত সহায় হিচাপে কমেও ১০,০০০ টকাৰ আৰ্থিক অনুদান।<br>৩. বচাব পৰা সা-সম্পত্তিৰ বচোৱাৰ পূৰ্ণ অধিকাৰ। |
| ৪ | ব্যৱহায়িক স্থনৰ ক্ষতি | ব্যৱহায়িক স্থন আৰু সা-সম্পত্তি | বিধিসন্মত স্বত্বধিকাৰী | ১. আস্থন ( সম্পূৰ্ন,অসম্পূৰ্ন বা আংশিক) তথা অনান্য সা-সম্পত্তিৰ সম্পূৰ্ন মূল্য<br>২. মাচুল, কৰ আৰু অন্যান্য যাৱতীয় খৰচৰ সম্পূৰ্ন মূল্য।<br>৩. এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্মানৰ বিপৰীতে ২৫,০০০ টকা)।<br>৪. বচাব পৰা সা-সম্পত্তি বচোৱাৰ পূৰ্ণ অধিকাৰ।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | ভৰতীয়া বা লীজ প্ৰাপ্ত ব্যক্তি | ১.সা–সম্পত্তিৰ ( সম্পূৰ্ন, অসম্পূৰ্ন বা আংশিক) উপযুক্ত মূল্য প্ৰদান।<br>২. ভৰা বা ম্যাদ উকলি নোযোৱা অৱস্থত লীজৰ জমাধনৰ বিপৰীতে ক্ষতিপূৰণ।<br>৩.এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্মানৰ বিপৰীতে ২৫,০০০ টকা)।<br>৪.স্থনান্তৰ কৰণত সহায় হিচাপে প্ৰতি ঘৰলৈ প্ৰতি নিৰ্মানৰ বাবদ ১০,০০০ টকাৰ আৰ্থিক অনুদান।<br>৫. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৬. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| | | | বেদখলকাৰী | ১. কোনো নিৰ্ম্মান বা অনান্য সা– |

| | | | | |
|---|---|---|---|---|
| | | | | সম্পত্তিৰ বিপৰীতে আৰ্থিক ক্ষতিপূৰণ।<br>২. এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্মানৰ বিপৰীতে ২৫,০০০ টকা)।<br>৪. স্থনান্তৰ কৰণত সহায় হিচাপে প্ৰতি ঘৰলৈ প্ৰতি নিৰ্মানৰ বাবদ ১০,০০০ টকাৰ আৰ্থিক অনুদান।<br>৫. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৬. বিশেষভৱে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান। |
| ৫ | জীৱিকা সম্পৰ্কীয় ভূমি | জীৱিকা উপাৰ্জন | বিধিসন্মত স্বত্নধিকাৰী/ ভৰাতীয়া/লীজপ্ৰাপ্ত/অ– স্বত্নাধিকাৰী মাটিত স্থপিত (ব্যৱসায়ীক প্ৰতিষ্ঠনৰ কৰ্ম্মচাৰী, খেতিয়ক, কৃষি কৰ্ম্মী) | ১. জীৱিকাৰ সাহাৰ্য্য (তিনিমাহৰ নূন্যতম আয়ৰ ভিত্তিত)<br>২. বিশেষভৱে অসমৰ্থবান লোকক অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৩. প্ৰকল্পৰ কোনোধৰনৰ কামৰ বাবে নিযুক্তিত ক্ষতিগ্ৰাস্থক অগ্ৰাধিকাৰ দিয়া। |
| ৬ | গছ-গছনি আৰু শস্যৰ ক্ষতি | মূল্যবান গছ গছনি আৰু শস্য আদিৰ ক্ষতি | বিধিসন্মত স্বত্নধিকাৰী/ ভৰাতীয়া/লীজপ্ৰাপ্ত/আধিয়াৰ কৃষক আৰু বিধিবৰ্হিভূত দখলকাৰী | ১. বত্তৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ বজাৰৰ মূল্য সাপেক্ষে উপযুক্ত ক্ষতিপূৰণ প্ৰদান।<br>২. ফল মূল আৰু শস্যাদিৰ বছেৰেকীয়া আয়ৰ বজাৰৰ মূল্য (যিমান বছৰলৈকে ফচল উৎপাদন হ ব পাৰে সেই অনুপাতে) আৰু কোনো গছৰ পৰা যদি কাঠ উৎপাদন কৰিব পৰা যায় সেই কাঠৰ মূল্য চৰকাৰৰ বনবিভাগ আৰু হৰ্টিকালচাৰ (Horticulture) বিভাগৰ লগত আলোচনা কৰি নিৰ্ণয় কৰিব লাগিব। |
| ৭ | ক্ষতিগ্ৰস্থ লোক সকলৰ ওপৰত প্ৰভাব | যিকোনো ধৰণৰ প্ৰভাব | বিশেষভৱে অসমৰ্থবান লোক | ১. বিশেষভৱে অসমৰ্থবান শ্ৰেণীৰ লোক যেনে অনুসূচীত জনজাতি (ST), অনুসূচীত জাতি (SC) বা পৰিয়ালৰ মূৰব্বী যদি মহিলা, বৃদ্ধ বা শাৰীৰিক ভাবে অক্ষম লোক হয় তেনে ক্ষেত্ৰত এবছৰৰ বাবে অতিৰিক্ত সাহাৰ্য্য প্ৰদান কৰাৰৰ লগতে ১০,০০০ টকাৰ সাহাৰ্য্য প্ৰদান কৰা। |
| ৮ | সাময়িক ভাবে | প্ৰকল্প বা উপ-প্ৰকল্পৰ | বিধিসন্মত স্বত্নাধিকাৰী/অ– বিধিসন্মত স্বত্নাধিকাৰী বা | ১. যিখিনি সময়ৰ বাবে ভূমি অধিগ্ৰহণ কৰা হয় উক্ত সময়ৰ বাবদ উপযুক্ত |

| | | | | |
|---|---|---|---|---|
| | ক্ষতিগ্ৰস্থ লোক | নিৰ্ম্মানৰ বাবে সাময়িক ভাবে আৱশ্যকীয় ভূমি | ভুক্তভোগী | ভৰাৰ ব্যৱস্থা কৰা।<br>২. সম্পত্তিৰ ক্ষয় ক্ষতিৰ পৰিমান নিৰ্ধাৰণ আৰু উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা।<br>৩. অধিগৃহিত ভূমিৰ সমপৰ্য্যায়ৰ বা তাতকৈ অধিক ভূমিৰ আৱন্টন দিয়া।<br>৪. বিদ্যুৎ পৰিবাহী লাইনৰ তলত হোৱা শস্যাদিৰ ক্ষতিৰ ক্ষতিৰ বিনিময়ত উপযুক্ত ক্ষতি পূৰণ প্ৰদান কৰি ভ ৱিষ্যতে সেই ঠাইত খেতি কৰাৰ অনুমতি দিয়া। |
| ১০ | অন্য কোনো ক্ষতি যাক পূৰ্বানুমান কৰা নাযায়। | | | কোনোধৰণৰ পূৰ্বতে অনুমান নকৰা ক্ষয় ক্ষতি সম্ভেদ পালে সেইবোৰ চিনাক্ত কৰি পুনৰ সংস্থাপণ আচঁনিৰ অধীনত উপযুক্ত পৰিমানৰ ক্ষতিপূৰণ প্ৰদান কৰা। |

**৫. পুনৰ সংস্থাপণ আচঁনি প্ৰস্তুত কৰণৰ নিয়মাৱলী**

৫.১. কাৰ্য্যকাৰী সংস্থাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (ASEB) আচঁনি নিৰীক্ষণকাৰী গোটৰ (PMU) অধীনত থকা কাৰ্য্যকাৰীকৰণ সংস্থাবোৰ ভালদৰে চালিজাৰি চাই পুনৰ সংস্থাপণ আচঁনি প্ৰস্তুত কৰিব লাগিব। আচঁনিখন অভি যান্ত্ৰিক দৃষ্টিকোণৰ পৰাও শুদ্ধ হব লাগিব। আচঁনিখন ৰূপায়নৰ ফলত সমাজত পৰিব পৰা সকলো ক্ৰিয়া প্ৰতিক্ৰিয়াৰ বিষয়ে বিতং ভাৱে মূল্যাংকন কৰাটো প্ৰতিটো উপ আচঁনিৰ বাবে জৰুৰী। সমগ্ৰ পুনৰ সংস্থাপণ প্ৰক্ৰিয়াটোৰ ক্ষয় ক্ষতি সম্পৰ্কে পূৰ্বে ক্ষতিয়ান লোৱাটো আচঁনি প্ৰস্তুতকৰণৰ এটা প্ৰধান বিষয়।

৫.২. উপ-আচঁনিৰ কাৰ্য্যকৰীকৰণৰ প্ৰত্যেক ক্ষেত্ৰৰে লোকপিয়ল আৰু জৰীপ কৰিব লাগিব আৰু এই জৰীপে সকলো ক্ষতিগ্ৰস্থ লোককে সামৰি লব লাগিব যাৰ ফলত অঞ্চলটোৰ লোকৰ বৈশিষ্ট তথা তেওঁলোকৰ আৰ্থিক অৱস্থা উপ আচঁনিৰ কাৰ্য্যকৰীকৰণৰ ফলত হব পৰা ক্ষয় ক্ষতিৰ তথ্য পোহৰলৈ আহি ব।

৫.৩. জৰীপ ভালদৰে কৰিলেহে অঞ্চলটোৰ ক্ষতিগ্ৰস্থ সকলৰ সামাজিক, অৰ্থনৈতিক পৰিস্থিতিৰ বিতং তথ্য পোৱা যাব। এই জৰীপত অঞ্চলটোৰ জনবসতিৰ পুৰুষ মহিলাৰ সংখ্যাৰ ওপৰত লিংগভিত্তিক বিতং তথ্য পোৱা যায়।

৫.৪. পুনৰসংস্থাপণ আচঁনি প্ৰস্তুত কৰোতে ওপৰত উল্লেখ কৰা সকলো পৰিসংখ্যা চালি জাৰি চাব লাগিব।

৫.৫. অনিচ্ছা স্বত্বেও কৰিব লগা হোৱা পুনৰসংস্থাপণৰ ফলত কেতিয়াবা কোনো বিশেষ বাধা আহিলে ক্ষতিগ্ৰস্থসকলক লগত ৰাখি পুনৰসংস্থাপণ আচঁনি প্ৰস্তুত কৰিব লাগে। এই পুনৰসংস্থাপণ আচঁনি সকলো পিয়ল আৰু জৰীপৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব। পুনৰসংস্থাপণ আচঁনি তলত দিয়া ধৰনে গঠন কৰিব লাগে -

৫.৫.১ চিনাক্ত কৰা মাটিৰ খতিয়ান।

৫.৫.২ সামাজিক, অৰ্থনৈতিক তথ্য।

৫.৫.৩ আচঁণিৰ উদ্দেশ্য, গঠন, আকৃতি আৰু গৰাকীৰ চৰ্ত।

৫.৫.৪ লিংগ ভিত্তিক বিষয়।

৫.৫.৫ বন্ধুত্বপূৰ্ণ বুজাবুজিৰ লগতে তেওঁলোকৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিতং তথ্য আহৰণ।

৫.৫.৬ ওজৰ আপত্তি নিস্পত্তিৰ বাবে এটি বিশেষ শাখা স্থাপন কৰা।

৫.৫.৭ নতুন ঘৰ প্ৰদান কৰাৰ লগতে ক্ষয় ক্ষতিৰ বোজাৰ পৰা গৰাকীপক্ষক ৰেহাই দিয়া।

৫.৫.৮ ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে উপাৰ্জনৰ ব্যৱস্থা কৰা।

৫.৫.৯ পুনৰসংস্থাপণৰ বাবে প্ৰয়োজনীয় পুজিৰ ব্যৱস্থা কৰি তাৰ হিচাপ ৰখাৰ ব্যৱস্থা কৰা।

৫.৫.১০ পুনৰসংস্থাপণৰ সময়সূচী নিৰ্ধাৰণ কৰা।

৫.৫.১১ আচঁনি সমূহৰ ৰূপায়নৰ ক্ষেত্ৰত নিৰীক্ষণ আৰু মূল্যাংকন কৰা।

৫.৬. যদি অনিচ্ছা স্বত্বেও কৰা পুনৰ সংস্থাপণৰ বিশেষ বাধা নাথাকে, তেনে ক্ষেত্ৰত ক্ষতিগ্ৰস্থ সকলৰ লগত আলোচনা কৰি এটি চমু পুনৰ সংস্থাপণ আচঁনি প্ৰস্তুত কৰা হয়। চমু পুনৰ সংস্থাপণ আচঁনি, সম্পূৰ্ণ পুনৰ সংস্থাপণ আচঁনিৰ দৰেই যদি এইক্ষেত্ৰত বিশেষ তথ্য পাতিৰ প্ৰয়োজন নহয়। তথাপিও ক্ষতিগ্ৰস্থ সকলক ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰনৰ শিথিলতা নাথাকে তাৰ নিশচয়তা প্ৰদান কৰিব লাগিব।

৫.৭. পি. এম. ইউ. এ এ. ডি বি. ৰ পুনৰ সংস্পন সম্পৰ্কীয় কামৰ লগত জড়িত কোনো বিশেষজ্ঞক পৰামৰ্শৰ বাবে নিযুক্তি দিব পৰিব। এইদৰে প্ৰস্তুত কৰা পুনৰ সংস্থাপন আচঁনি ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন আৰু পুনৰ উত্থান আচঁনি ২০০৭ সমপৰ্য্যায়ৰ হ্ব লাগিব। কাৰ্য্যকৰী সংস্থা (অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ) ই পি. এম. ইউ. ৰ বাবে ধনৰ যোগান নিশ্চিত কৰিব লাগিব। কাম আৰম্ভ দিয়াৰ আগতে পুনৰ সংস্থাপণ সম্পৰ্কীয় আচঁনি সমূহৰ এ. ডি বি. ৰ অনুমোদন লব লাগিব আৰু ক্ষতিগ্ৰস্থ সকলক স্থানান্তৰণৰ আগতে ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব। কোনো ক্ষেত্ৰত পলম হলেও নিৰ্মান কাৰ্য্য আৰম্ভ কৰাৰ আগতে ক্ষতিগ্ৰস্থ সকলক ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব।

**৬. প্ৰতিষ্ঠানীয় ব্যৱস্থাপনা**

৬.১ প্ৰস্তাবিত বহুমুখী ঋণ ব্যৱস্থাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ কাৰ্য্যবাহী সংস্থা আৰু ইয়াৰ অধীনস্থ পৰিবহন আৰু বিতৰন কোম্পানী সমূহ কাৰ্য্যকৰী সংস্থা। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বৰ্তমান কাৰ্যকৰী হৈ থকা পি. এম. ইউ. যি এ. ডি বি ফেছ -I ৰ (Phase-I) কাম কাজ পৰিচালনা কৰিছিল এ. ডি বি ফেছ II ৰ (Phase-II) কাম কাজো তেওঁলোকেই পৰিচালনা কৰিব।

৬.২ পি. এম. ইউ. ৰ অধীনত এখন পৰিবেশ আৰু সমাজ সম্বন্ধীয় পৰিচালনা গোট (Environment and Social Management Unit ) ৰ স্থাপণৰ পৰিকল্পনা কৰা হৈছে যত এজন পুনৰ সংস্থাপণ আৰু এজন প্ৰাকৃতিক বিশেষজ্ঞ মূৰব্বী হিছাপে থাকিব। পৰিবেশ আৰু সমাজ সম্বন্ধীয় পৰিচালনা গোট ক এজন প্ৰাকৃতিক বিশেষজ্ঞ আৰু এজন সামাজিক আৰু পুনৰ সংস্থাপণ বিশেষজ্ঞই সহায় কৰিব। কাৰ্য্যবাহী সংস্থা পুনৰ সংস্থাপণৰ পৰিকল্পনা প্ৰস্তুত কৰি ইয়াক কাৰ্য্যকৰী কৰা আৰু পুজিৰ যোগান সম্পৰ্কীয় সকলো কাম কাজ পি. এম. ইউ. পৰিচালনা কৰিব। কাৰ্য্যবাহী সংস্থাই স্থানীয় চৰকাৰ, অনুস্থান-প্ৰতিস্থান আদিক পুনৰ সংস্থাপণ সম্পৰ্কীয় আচঁনি সমূহত জড়িত কৰি ইয়াক বাস্তবায়িত কৰিব। পুনৰসংস্থাপণ সম্পৰ্কীয় কামত জড়িত দায়িত্ব শীল সংস্থা সমূহ আৰু তেওঁলোকৰ কাৰ্য্য তলত উল্লেখ কৰা হল ঃ

| ক্ৰমিক নং | কাৰ্য্য | দায়িত্বপ্ৰাপ্ত সংস্থা |
|---|---|---|
| A | ১. উপ–আচঁনিৰ প্ৰাম্ভিক পৰ্য্যায়। | |
| | ২. পৰিৱেশ আৰু সমাজ সম্বন্ধীয় পৰিচালনা গোট ( Environment and Social Management Unit - ESMU ) স্থপন আৰু কৰ্মচাৰী নিয়োগ। | এ.এছ.ই.বি. |
| | ৩. আচঁনি/উপ–আচঁনিৰ বাবে প্ৰয়োজনীয় স্থন নিৰ্বাচন কৰা। | এ.এছ.ই.বি./পি.এম.ইউ./আই.এ |
| | ৪. আচঁনি উপ–আচঁনিৰ বাবে প্ৰয়োজনীয় স্থনৰ চিনাক্তকৰণ আৰু আচঁনি খনৰ বষয়ে ৰাজহুৱা জাননী জাৰী কৰা। | এ.এছ.ই.বি./পি.এম. ইউ./আই.এ |
| | ৫. অধিগ্ৰহণৰ বাবে চিনাক্ত কৰা স্থনৰ ক্ষতিগ্ৰস্থ হ্ব লগা ৰাইজৰ লগত আলোচনা কৰা। | এ.এছ.ই.বি./পি.এম. ইউ./আই.এ. |
| B | ১. পুনৰসংস্থপণ আচঁনি প্ৰস্তুত কৰা আৰু সময় সাপেক্ষ নৱীকৰণ কৰা। | |
| | ২. ক্ষতিগ্ৰস্থ সকলৰ লোকপিয়ল আৰু জৰীপৰ কাৰ্য্যকৰীকৰণ । | পি.এম.ইউ./ই.এছ.এম.ইউ. /এল.এ.অ./আই.এ. |
| | ৩. উক্ত স্থনৰ ৰাইজৰ মাজত পুনৰসংস্থপণ সম্পৰ্কীয় আলোচনাৰ আয়োজন কৰি ৰাইজক অৱগত কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ. |
| | ৪. অধিগ্ৰহণ কৰিবলগা স্থনৰ সকলো স্থৰৰ/অস্থৰৰ সম্পত্তিৰ মূল্য নিৰূপণ কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ৫. ক্ষতিগ্ৰস্থ সকলক বিভিন্ন স্বীকৃতিপ্ৰাপ্ত ভাগত ভাগ কৰি সেই অনুসৰি তেওঁলোকৰ স্বৰ্ত নিৰূপণ কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ৬. ক্ষতিপূৰণ আৰু পুনৰসংস্থপণ সম্পৰ্কীয় আচঁনি নিৰ্ধাৰন কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ. /এল.এ.অ./আই.এ. |
| | ৭. ক্ষতিগ্ৰস্থ সকলৰ লগত মুকলি ভাৱে আলোচনা কৰি সেইমৰ্মে ভৰৰ প্ৰদান প্ৰদান কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ৮. মাটি সম্পত্তিৰ গৰাকীৰ লগত আলোচনা কৰি ক্ষতিপূৰণৰ পৰিমান নিৰ্ধাৰন কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ৯. স্বত আৰু পুনৰসংস্থপণ আচঁনি নিৰ্ধাৰন কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ১০. নিৰ্ধাৰন হোৱা স্বৰ্ত আৰু পুনৰসংস্থপণ আচঁনিৰ জাননী জাৰীকৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ১১. ক্ষতিগ্ৰস্থ লোকসকলৰ নামৰ তলিকা অনুমোদন কৰা। | ই.এ/পি.এম.ইউ./ই.এছ.এম.ইউ./এ.ডিবি |
| | ১২. ন্যায়িক বিক্ৰি পত্ৰত স্বাক্ষৰ আহৰণ আৰু ক্ষতিপূৰণ প্ৰদান কৰা। | ই.এ/পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ./এল.এ.অ. |
| | ১৩. বিধিগত প্ৰক্ৰিয়াৰে ভূমি অধিগ্ৰহণ কৰা। | ই.এ/পি.এম.ইউ. |

| | | |
|---|---|---|
| C | ১. পুনৰসংস্থাপণ আচঁনিৰ কাৰ্য্যকাৰীকৰণ পৰ্য্যায়। | পি.এম.ইউ./ই.এছ.এম.ইউ./এল.এ.অ./আই.এ. |
| | ২. নিৰ্ধাৰিত আচঁনি অনুসৰি পুনৰ সংস্থাপণৰ ব্যৱস্থা গ্ৰহণ কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ./এল.এ.অ./আই.এ. |
| | ৩. পুনৰ সংস্থাপণৰ কাম চলি থকা অৱস্থাত ভুক্তভোগী ক্ষতিগ্ৰস্থ সকলৰ লগত বিভিন্ন আলোচনা-বিলোচনা অব্যাহত ৰখা। | পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. |
| | ৪. ক্ষতিগ্ৰস্থ সকলৰ ওজৰ আপত্তি থাকিলে নিস্পত্তিৰ ব্যৱস্থা কৰা। | পি.এম.ইউ./ই.এছ.এম.ইউ/জি.আৰ.চি/আই.এ. |
| | ৫. আভ্যন্তৰিন নিৰীক্ষণ। | পি.এম.ইউ./ই.এছ.এম.ইউ/আই.এ. |
| | ৬. বাহ্যিক নিৰীক্ষণ। | এক্সটাৰ্ণেল এজেন্সি |

**৭. পৰামৰ্শ আহৰণ, জাননী জাৰীকৰণ আৰু বিভিন্ন ওজৰ আপত্তি**

৭.১ পৰামৰ্শ আহৰণ ঃ কোনো এটা পৰিকল্পনা হাতত লোৱাৰ পৰা পৰিকল্পনাটো কাৰ্য্যকৰীকৰণ হোৱালৈকে বিশেষজ্ঞৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলাটো পৰিকল্পনাটোত অংশগ্ৰহণকাৰী সকলো গোটৰ বাবে জৰুৰী। এই বিশেষজ্ঞ কোনো চৰকাৰী বিষয়া বা উক্ত জনসমাজক প্ৰতিনিধিত্ব কৰা কৰা কোনো মুখীয়াল ব্যক্তি বা কোনো ৰাজ্যৰ নিৰ্বাচিত প্ৰতিনিধি হ'ব পাৰে। পৰিকল্পনাৰ উদ্দেশ্য, তাৰ পৰা হ'ব পৰা লাভালাভ আদিৰ লগতে ক্ষয়-ক্ষতিৰ বিষয়ে আলোচনা কৰাৰ লগতে পুনৰসংস্থাপণ আচঁনিৰ বিষয়ে আলোচনা হোৱাতো জৰুৰী। ভৱিষ্যতৰ উপপ্ৰকল্প সমূহত আনুস্থানিক আৰু অনানুস্থানিক পৰামৰ্শ সমূহ পূৰণ কৰা হ'ব। লোকপিয়ল আৰু আৰ্থ সামাজিক জৰীপৰ উপৰিও এই প্ৰক্ৰিয়া কেন্দ্ৰীভূত সামূহিক আলোচনাচক্ৰ, জনসভা আদিতে সীমাবদ্ধ নাথাকিব। পৰামৰ্শ আহৰণ প্ৰক্ৰিয়া বিঘ্নতকাৰী গোট সমূহৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। পৰামৰ্শ আহৰণ প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশ গ্ৰহণত উৎসাহ যোগাবলৈ কাৰ্য্যক্ৰমৰ সবিশেষ জনসাধাৰণক জনোৱা হ'ব আৰু তেওঁলোকৰ মতামতসমূহ গ্ৰহণ কৰি সেইসমূহ গুৰুত্বসহকাৰে বিচাৰ কৰিব লাগিব। কাৰ্য্যকৰী সংস্থাই প্ৰভাৱিত লোকসকল অথবা অংশীদাৰ সকলক উপপ্ৰকল্পৰ সবিশেষ, ইয়াৰ প্ৰভাৱ, তেওঁলোকৰ অধিকাৰ আদিৰ বিষয়ে অৱগত কৰা আৰু তেওঁলোকৰ পৰামৰ্শ আহৰণ কাৰ্য্য সুনিশ্চিত কৰি উপ-প্ৰকল্পত তেওঁলোকক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ অনুমতি দিব লাগিব। পুনৰসংস্থাপণ আচঁনি প্ৰস্তুতৰ বাবে অংশ গ্ৰহণকৰী সদস্য সমূহ এনেধৰনৰ:

১. সকলো ক্ষতিগ্ৰস্থ পৰিয়ালৰ সদস্য।
২. আচঁনিৰ কৃতকাৰ্য্যতাৰ লগত জড়িত সকলো ব্যক্তি তথা সংস্থা।
৩. কোনো নিৰ্বাচিত নেতা, ধৰ্মীয় নেতা বা সেই সমাজক প্ৰতিনিধিত্ব কৰা লোক।
৪. স্থানীয় বে-চৰকাৰী অনুস্থান প্ৰতিস্থান আদি।
৫. স্থানীয় চৰকাৰ বা চৰকাৰে নিযুক্তি দিয়া কোনো জন-সম্পৰ্ক ৰক্ষাকাৰী চাকৰিয়াল।
৬. কাৰ্য্যকৰী সংস্থা বা নিযুক্তিপ্ৰাপ্ত কোনো বিশেষজ্ঞ।

৭.২ প্ৰকাশিত বিষয় ঃ পুনৰ সংস্থাপণ আচঁনিৰ পৰিগাঠনি আৰু কোনো উপ-পৰিকল্পনা পোন প্ৰথমে চৰকাৰী বিষয়ৰ অৱগত হ'ব। তাৰ পিছত চৰকাৰে বাতৰিকাকতৰ যোগেদি জনসাধাৰণক অৱগত কৰি ভালদৰে আলোচনা কৰিব। আৰু অৱশেষত পুনৰ সংস্থাপণ আচঁনিৰ পৰকল্পনা আচঁনিখনৰ লগত জড়িত অনান্য সকলক যোগান ধৰা

হ্ব। পুনৰ সংস্থপণ আচঁনি স্থনীয় ভষালৈ অনুবাদ কৰি আচঁনিৰ লগত জড়িত ক্ষতিগ্রস্থ স্থনীয় লোকসকলৰ মাজত বিতৰন কৰা হ্ব। যিবোৰ ঘৰৰ গৰাকী মহিলা তেওঁলোকৰ লগত ভলধৰে আলোচনা কৰি তেওঁলোকে যাতে আচঁনি খনৰ বিষয়ে ভলদৰে বুজি পায় তৰ ব্যৱস্থ গ্রহণ কৰিব লাগিব। আৱশ্যক হলে স্থনীয় কোনো মুখিয়াল ব্যক্তিক ইয়াৰ দায়িত্ব প্রদান কৰিব লাগিব। পুনৰ সংস্থপণ আচঁনিৰ সৈতে জড়িত কোনো বিষয়ত বাদ-বিবাদ হলে শীঘ্রে পি.এম.ইউ ৰ লগত যোগাযোগ কৰি বিহিত ব্যৱস্থ গ্রহণৰ ব্যৱস্থ কৰিব লাগে।

**৭.৩** ওজৰ-আপত্তি ঃ প্রক্ষিক্ষণ প্রাপ্ত লোক নিয়োগ কৰি ক্ষত্গ্রিস্থ লোকসকলৰ লগত সম্পৰ্ক কৰা আৰু তেওঁলোকৰ কিবা ওজৰ-আপত্তি থাকিলে সেই সমূহ গ্রহ্ণ কৰি নিপতিকৰণৰ বাবে নিপতিকৰণ গোট স্থপন কৰাৰ ব্যৱস্থ কৰা। ক্ষত্গ্রিস্থ স্থনীয় লোকসকলৰ ওজৰ আপত্তি থাকিলে সেইসমূহ পোনপ্রথমে কাৰ্য্যকৰী সংস্থৰ স্থনীয় কাৰ্য্যালয়ত গ্রহ্ণ কৰি ওজৰ আপত্তি নিপত্তিকৰণ গোটৰ জি.আৰ.চি (GRC) লগতে পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. (PMU/ESMU/IA) আৰু আঞ্চলিক ন্যায়াধীশ তথা আয়ুক্তৰ সহায় লৈ নিপতিকৰণৰ ব্যৱস্থ কৰিব লাগে। প্রতিমাহে এই সমিতিৰ সদস্যসকল লগ হৈ তেওঁলোকৰ মতামত দাঙি ধৰি ওজৰ আপত্তিৰ নিস্পতিকৰণৰ ব্যৱস্থ গ্রহণ কৰিব।

৮. পুনৰ সংস্থপণ আচঁনিৰ খৰচৰ খতিয়ান আৰু অনুদান বিতৰন আচঁনি নিশ্চিত পুনৰ সংস্থপণ আচঁনিৰ সম্পূর্ন খৰচৰ হিচাপ পি.এম.ইউ ৰ দ্বাৰা প্রস্তুত কৰা হ্ব। ইয়াত সমূহ উপ-প্রকল্পক সামৰি লোৱা হ্ব। খৰচৰ হিচাপ সমূহ তলত দিয়া ধৰনে কৰা হ্ব ঃ

৮.১. ভূমি অধিগ্রহ্ণ, পুনৰ সংস্থপণ, জীৱিকা আৰু উপাৰ্জন নিশ্চিতকৰণ আৰু অঞ্চলটোৰ সামূহিক উন্নতিকৰণ।

৮.২. পুজি যোগানৰ উৎস নিৰ্ণয় কৰা।

৮.৩. পুনৰ সংস্থপণ আচঁনিৰ অনুমোদনৰ ব্যৱস্থ কৰা।

৮.৪. নিয়মিয়া পুজি যোগান নিশ্চত কৰা আৰু তৎক্ষনিক খৰচৰ সুবিধা কৰা। ভূমি আধিগ্রহ্ণ, সকলো হেৰুৱা বয়-বস্তু, স্থনান্তৰণ আৰু পুনৰ সংস্থপণৰ লগত জড়িত খৰচ, প্রসাসনিক খৰচ, পিয়ল, জৰীপ আৰু অনান্য কামৰ বাবে নিয়োজিত বেচৰকাৰী সংস্থৰ খৰচ, ঘৰ, ভূমিৰ ভৰা কাৰ্য্যকৰী সংস্থই বহন কৰিব লাগিব। ভূমি আধিগ্রহ্ণ আৰু পুনৰ সংস্থপণৰ লগত জড়িত খৰচ উপপ্রকল্পৰ এটা অবিচ্ছেদ্য খৰচ হিচাপে গন্য কৰা হ্য়। কাৰ্য্যকৰী সংস্থই পুনৰ সংস্থপণৰ লগত জড়িত খৰচৰ ধনৰাশি নিদিষ্ট বিভাগ বিতৰণৰ বাবে জমা কৰিব আৰু উক্ত বিভাগ সমূহে সেই ধন ক্ষত্গ্রিস্থ সকলক বিতৰণ কৰিব। কাৰ্য্যকৰী সংস্থই পুনৰ সংস্থপণৰ বাবে আৱশ্যকীয় ধনৰাশি তেওঁলোকৰ বাৰ্ষিক আচঁনিত আচুতিয়াকৈ ধাৰ্য্য কৰি ৰাখিব যাতে পুনৰ সংস্থপণ প্রক্রিয়া কোনোক্ষেত্রতে পলম নহ্য়।

৯. পুনৰ সংস্থপণ আচঁনি প্রয়োগ কৰন সূচী যি কোনো ধৰনৰ নিৰ্মান কাৰ্য্য আৰম্ভ কৰাৰ আগতে মাটি আধিগ্রহ্ণ, স্থান্তৰণ, পুনৰ সংস্থপণৰ আৰু ক্ষতিপূৰণ আদিৰ কাম শেষ কৰিব লাগিব। পুনৰ সংস্থপণ আচঁনিৰ প্রয়োগৰ ক্ষেত্রত সন্নিবিষ্ট হৈ থকা বিষয় কেইটা হ্ল ঃ

৯.১ জাননী জাৰী কৰা আৰু পুনৰ সংস্থপণৰ দিন নিৰ্ধাৰণ কৰা।

৯.২ ক্ষয়-ক্ষতিৰ পৰমান নিৰ্ধাৰণ আৰু ইয়াৰ প্রভৱ।

৯.৩ ক্ষত্গ্রিস্থ সকলক চিনাক্তকৰণ আৰু চিনাক্তকৰণ পত্র প্রদান।

৯.৪ ক্ষত্গ্রিস্থ সকলৰ লগত আলোচনা কৰি তেওঁলোকৰ প্রাথমিক প্রয়োজন সমূহ চিনাক্ত কৰা।

৯.৫ পুনৰ সংস্থাপণ, ক্ষত্পূিৰণ আৰু জীৱন যাপনত পূৰ্বৰ অৱস্থ প্রাপ্তিত সহায় কৰা।

১০ নিৰীক্ষণ আৰু মূল্যাঙ্কণ

১০.১ আভ্যন্তৰীণ নিৰীক্ষণ: পি.এম.ইউ./ই.এছ.এম.ইউ./আই.এ. ৰ ওপৰত আভ্যন্ত ৰীণ নিৰীক্ষণৰ দায়িত্ব ন্যস্ত থাকে। সেই আভ্যন্তৰীণ নিৰীক্ষণৰ দায়িত্ব সমূহ হ্লঃ

১০.১.১ প্ৰসাসনিক নিৰীক্ষণ ঃ দৈনিক আচঁনি প্ৰস্তুত কৰণ, আচঁনি কাৰ্য্যকৰীকৰণ, প্ৰতিক্ৰিয়া আহৰণ, ক্ষতিগ্ৰস্থৰ ব্যক্তিগত কামৰ তালিকা প্ৰস্তুত কৰি তাৰ খতিয়ান লোৱা।

১০.১.২ সামাজিক আৰু অৰ্থনৈতিক নিৰীক্ষণ ঃ ক্ষতিগ্ৰস্থৰ অৰ্থনৈতিক স্থিতি ভালদৰে পৰ্য্যালোচনা কৰা আৰু সম্ভৱ স্থলত ক্ষয়ক্ষতিৰ পৰিমান কম কৰা।

১০.১.৩ ক্ষতিগ্ৰস্থৰ উপাৰ্জনৰ স্থিতি একে ৰখা বা উন্নত কৰা আৰু এই সকলোবোৰ প্ৰতিবেদন পি.এম.ইউ ৰ জৰীয়তে এ.ডি.বি. লৈ প্ৰেৰণ কৰা।

১০.২ বাহ্যিক নিৰীক্ষণ ঃ বাহ্যিক নিৰীক্ষণ আৰু মূল্যাঙ্কণৰ কাম কাৰ্য্যকৰি সংস্থাই বাহিৰা স্বধীন সংস্থাক অৰ্পন কৰে। এই সংস্থাৰ পূৰ্বৰ অভিজ্ঞতা থাকিব লাগিব আৰু তেওঁলোকৰ আচঁনি ৰূপায়ণ প্ৰক্ৰিয়াৰ লগত কোনো সম্পৰ্ক থাকিব নালাগিব। তদুপৰি সংস্থাটোৰ চৰকাৰৰ পুনৰ সংস্থাপণ আচঁনি আৰু এ.ডি.বি. ৰ পুনৰ সংস্থাপণ আচঁনিৰ বিষয়ে সাম্যক জ্ঞান থাকিব লাগিব। ঋণ অনুমোদনৰ তিনিমাহৰ ভিতৰত এনে সংস্থা নিযুক্তি দিব লাগিব। এনে সংস্থাই পুনৰ সংস্থাপণ প্ৰক্ৰিয়াটো ভালদৰে পৰ্য্যবেশন কৰিব আৰু অধিগৃহিত মাটিৰ গৰাকীক উচিত মূল্য প্ৰাপ্তি নিশ্চিত কৰিবলৈ পি.এম.ই ৰ লগত যোগাযোগ ৰাখিব। তদুপৰি পি.এম.ইউ./ই.এচ্.এম.ইউৰ মাজৰ সম্পৰ্ক এই সংস্থাটোৱে ভালদৰে পৰ্য্যবেশন কৰিব। এই সমূহৰ প্ৰতিবেদন বছৰত দুবাৰকৈ কাৰ্য্যকৰী সংস্থা এ.এচ্.ই.বি আৰু এ.ডি.বি.ক দাখিল কৰিব। আভ্যন্তৰীণ নিৰীক্ষণৰ প্ৰতিবেদন বছৰত চাৰিবাৰকৈ এ.ডি.বি.ৰ ভাৰতীয় আৱাসকাৰী অভিজান (Indian Resident Mission - INRM) লৈ আৰু বাহ্যিক নিৰীক্ষণৰ প্ৰতিবেদন বছৰত দুবাৰকৈ ভাৰতীয় আৱাসকাৰী অভিজান (Indian Resident Mission - INRM) লৈ পঠিয়াব লাগিব।